# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 16-10-2025 **Time :** 1910 Hrs.

## Assamese Evening Bulletin

0000000

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুলত প্ৰায় ১৩ হাজাৰ ৪৩০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ভালেমান উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।

২। ভাৰতে আফগান আৰু পাকিস্তানৰ মাজৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চ পৰ্যায়ৰ বৈঠকত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে।

৪। ভাৰত এছিয়া প্ৰশান্ত সাগৰীয় মহাসাগৰৰ বাবে থকা ৰাষ্ট্ৰসংঘৰ ভূস্থানিক তথ্য ব্যৱস্থাপনা আঞ্চলিক কমিটীৰ সহ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৯৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অন্ধ্ৰপ্ৰদেশৰ কুৰ্নুলত প্ৰায় ১৩ হাজাৰ ৪৩০ হাজাৰ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ভালেমান উন্নয়নমূলক প্ৰকল্প ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিছে। শ্ৰীমোদী আজি পুৱা অন্ধ্ৰপ্ৰদেশত উপস্থিত হৈ উদ্যোগ, শক্তি, পথ, ৰে'লৱে, প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ, পেট্ৰেলিয়াম আৰু প্ৰাকৃতিক গেছ আদি খণ্ডৰ বিভিন্ন প্ৰকল্প উদ্বোধন কৰে। এই প্ৰকল্পসমূহে ৰাজ্যখনৰ ঔদ্যোগিকীকৰণক ত্বৰান্বিত কৰি সৰ্বাত্মক আৰ্থ-সামাজিক বিকাশৰ জৰিয়তে আঞ্চলিক আন্তঃগাঁথনি উন্নত কৰাৰ বাবে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাকে সূচায়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি শ্ৰীমোদীয়ে সমবেত জনসাধাৰণকো সম্বোধন কৰি ভাৰতৰ শক্তি আৰু বিদ্যুৎ ক্ষেত্ৰত খৰতকীয়াভাৱে হোৱা উন্নতিৰ বিষয়ে উল্লেখ কৰে। তেওঁ উল্লেখ কৰে যে শক্তি খণ্ডই বৰ্তমান সময়ত ভাৰতৰ প্ৰতিখন গাঁও চুবলৈ সক্ষম হৈছে আৰু জনমূৰি বিদ্যুৎ ব্যৱহাৰে বৰ্তমান এহেজাৰ ৪০০ ইউনিটলৈ বৃদ্ধি পাইছে। এই হাৰে বৰ্তমান শক্তিখণ্ডৰ ক্ষেত্ৰখনত নতুন অভিলেখ গঢ়িবলৈ সক্ষম হৈছে। তেওঁ লগতে ৰায়েলছিমা আৰু বৃহৎ পৰিসৰৰ অন্ধ্ৰ অঞ্চলে দেশৰ সৰ্বাঙ্গীন উন্নতিৰ দিশত সংকট হিচাপে দেখা দিছে। তেওঁ লগতে নতুন সামগ্ৰী আৰু সেৱা কৰৰ জৰিয়তে ৮ হাজাৰ কোটি টকাৰ সঞ্চয়েৰে বিত্তীয় দিশৰ উন্নতিৰ বিষয়ো উল্লেখ কৰে। তেওঁ লগতে এই সঞ্চয়ে বৰ্তমানৰ উৎসৱৰ পৰিবেশ আৰু সঞ্চয় আৰু সেৱা কৰৰ ভাৰত উৎসৱ সজাগতা তথা অংশীদাৰিত্বৰে পালন কৰাৰ ক্ষেত্ৰত ভাৰতৰ নাগৰিকসকলক উৎসাহিত কৰিব বুলিও জানিবলৈ দিয়ে। অনুষ্ঠানত অন্ধ্ৰ প্ৰদেশৰ ৰাজ্যপাল এছ আব্দুল নজিৰ, মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু উপ-মুখ্যমন্ত্ৰী পৱন কল্যাণো উপস্থিত থাকে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰসংঘৰ অভিযানত অৱদান আগবঢ়োৱা দেশসমূহৰ সেনা মুৰব্বীসকলৰ সন্মিলনত ভাগ লোৱা সেনাবাহিনীৰ মুৰব্বী আৰু উপ-মুৰব্বীসকলক সাক্ষাৎ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে সামাজিক মাধ্যমযোগে সন্মিলনত অংশ লোৱা প্ৰতিনিধিসকলক আদৰণি জনায় আৰু বিশ্বশান্তি তথা সুস্থিৰতা বৰ্তাই ৰখাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ শান্তিৰক্ষী অভিযানৰ মাধ্যমেৰে আগবঢ়োৱা অৱদানৰ শলাগ লয়। ৰাষ্ট্ৰপতিয়ে লগতে শান্তিৰক্ষী অভিযানৰ প্ৰতি দেশৰ প্ৰতিশ্ৰুতিবদ্ধতা আৰু সেনাবাহিনীত লিংগ অন্তৰ্ভুক্তি প্ৰসাৰৰ ক্ষেত্ৰত ইয়াৰ নেতৃত্বকেন্দ্ৰিক ভূমিকাৰ বিষয়ে আলোকপাত কৰে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কয় যে ভাৰতে শান্তি ৰক্ষাৰ যাত্ৰাত লিংগভিত্তিক অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত যথেষ্ট প্ৰগতি কৰিছে। তেওঁ লগতে মহিলা শান্তিৰক্ষীসকলে স্থানীয় সম্প্ৰদায়সমূহক সবল আৰু তেওঁলোকৰ মাজত আস্থা গঢ়ি তোলা বুলি মন্তব্য কৰে।

০০০০০০০

ভাৰতে আফগান আৰু পাকিস্তানৰ মাজৰ পৰিস্থিতি সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বিয়লি সংবাদ মাধ্যমৰ সৈতে হোৱা কতা-বতৰাত মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে কয় যে শেহতীয়া ঘটনাক্ৰমৰ পৰা পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনক আশ্ৰয় দিয়া আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপত পৃষ্ঠপোষকতা কৰাটো স্পষ্ট হৈ পৰিছে। নিজৰ অভ্যন্তৰীণ ব্যৰ্থতাৰ বাবে চুবুৰীয়া ৰাষ্ট্ৰসমূহক দোষাৰোপ কৰাটো পাকিস্তানৰ পুৰণি স্বভাৱ বুলি তেওঁ মন্তব্য কৰে। মুখপাত্ৰগৰাকীয়ে কয় যে আফগানিস্তানে নিজৰ ভূখণ্ডত সাৰ্বভৌমত্বৰ অধিকাৰ প্ৰয়োগ কৰাক লৈ পাকিস্তান জাঙুৰ খাই উঠিছে। তেওঁ লগতে কয় যে ভাৰত আফগানিস্তানৰ সাৰ্বভৌমত্ব, ভৌগলিক অখণ্ডতা আৰু স্বাধীনতাৰ প্ৰতি সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ।

কাবুলত থকা ভাৰতীয় মিছনৰ উন্নীতকৰণ সন্দৰ্ভত শ্ৰীজয়ছৱালে কয় যে কাবুলত ২০২২ চনৰ জুনৰে পৰা ভাৰতৰ কাৰিকৰী মিছন কাৰ্যকৰী হৈ আছে। পৰৱৰ্তী কেইটামান দিনত এই মিছনক দূতাবাসলৈ ৰূপান্ত কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

ব্ৰিটেইনে ভাৰতৰ শক্তি কোম্পানী **নায়ৰা**ৰ বিৰুদ্ধে আৰোপ কৰা প্ৰতিবন্ধকতা সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে দেশখনৰ একপক্ষীয় বাধানিষেধ আৰোপ কৰাৰ কোনো অধিকাৰ নাই। তেওঁ কয় যে ভাৰতে শক্তি সুৰক্ষাৰ বিষয়টো নাগৰিকসকলৰ বুনিয়াদী আৱশ্যকতা পূৰণৰ বাবে সৰ্বাধিক গুৰুত্বপূৰ্ণ দায়িত্ব বুলি গণ্য কৰে। তেওঁ কয় যে ভাৰতীয় কোম্পানীসমূহে বজাৰৰ সামগ্ৰিক পৰিস্থিতিৰ বিষয়ে বিবেচনা কৰি বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা শক্তি আহৰণ কৰে। বিশেষকৈ শক্তি ব্যৱসায়ৰ কোনো ধৰণৰ দুমুখীয়া মান থাকিব নোৱাৰে বুলি তেওঁ প্ৰকাশ কৰে।

তেল আমদানি সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ মাজত আলোচনা হৈছে বুলি সোধা এটা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয় যে তেওঁ নেতা দুগৰাকীৰ মাজত কোনো আলোচনা হোৱাৰ কথা নাজানে।

০০০০০০০

কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত অনুষ্ঠিত এখন উচ্চ পৰ্যায়ৰ বৈঠকত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে জাৰি কৰা এটা বিবৃতিত এইবুলি কোৱা হৈছে যে বৈঠকত মন্ত্ৰীগৰাকীক প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ৰাজ্যভিত্তিক অগ্ৰগতিৰ বিষয়ে অৱগত কৰোৱা হয়। বৈঠকত উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য আৰু ছত্তিশগড়কে ধৰি বাওপন্থী উগ্ৰবাদ প্ৰভাৱিত অঞ্চলসমূহত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। শ্ৰীচৌহানে বিষয়াসকলক উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ কাম ত্বৰান্বিত কৰিবলৈ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে তেওঁ শীঘ্ৰেই উত্তৰ পূৰ্বাঞ্চলৰ বাবে এখন সুকীয়া পৰ্যালোচনা

বৈঠকত  মিলিত হ'ব বুলি উল্লেখ কৰে। শ্ৰীচৌহানে বিষয়াসকলক কামৰ গতি ত্বৰান্বিত কৰিবলৈ আৰু ৰাজ্য চৰকাৰৰ সহযোগত যিকোনো সমস্যা ক্ষিপ্ৰতাৰে সমাধান কৰিবলৈ নিৰ্দেশ দিয়ে। পথ নিৰ্মাণৰ সকলো প্ৰকল্পৰ ক্ষেত্ৰত উচ্চ মান মানি চলিবলৈ আৰু এনে প্ৰকল্পসমূহ নিৰ্ধাৰিত সময়ত সম্পূৰ্ণ কৰাত তেওঁ গুৰুত্ব আৰোপ কৰে। বৈঠকত অহা ডিচেম্বৰত ৰাষ্ট্ৰজুৰি প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ২৫ বছৰীয়া বাৰ্ষিকী উদযাপনৰ পৰিকল্পনাৰ বিষয়েও আলোচনা কৰা হয়। শ্ৰীচৌহানে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাক এটা ঐতিহাসিক উদ্যম বুলি অভিহিত কৰে আৰু এই যোজনাই দেশৰ গ্ৰামাঞ্চলৰ আমূল পৰিৱৰ্তন সাধন কৰা বুলি উল্লেখ কৰে।

০০০০০০০

চৰকাৰে সন্ত্ৰাসবাদ, অপৰাধ আৰু দুৰ্নীতিৰ প্ৰতি শূণ্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে দোহাৰিছে। নতুন দিল্লীত আজি পলাতক অপৰাধীৰ প্ৰত্যৰ্পণ   প্ৰত্যাহ্বান আৰু ৰণ কৌশল সম্পৰ্কীয় এখন সন্মিলন মুকলি কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে সকলো অপৰাধীকে আইনৰ আওতালৈ অনাৰ বাবে দেশত এটা শক্তিশালী ব্যৱস্থা বিকশাই তোলা হৈছে। তেওঁ কয়, যে প্ৰতিগৰাকী পলাতক অপৰাধীৰ সৈতে ক্ষমাহীন দৃষ্টিভংগী গ্ৰহণ কৰা উচিত আৰু তেওঁলোকক দেশৰ ন্যায় ব্যৱস্থাৰ সন্মুখলৈ অনা উচিত। মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সীমান্তৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে আইনৰ শাসন সুদৃঢ় কৰাৰ দিশে অগ্ৰসৰ হৈছে। চৰকাৰে ২০১৮ চনত পলাতক অৰ্থনৈতিক অপৰাধী আইন বলবৎ কৰিছে আৰু এই আইনৰ অধীনত কৰ্তৃপক্ষসমূহক পলাতক অপৰাধীসকলৰ দেশত থকা সম্পত্তি জব্দ কৰাৰ অধিকাৰ প্ৰদান কৰা হৈছে বুলি শ্ৰীশ্বাহে মন্তব্য কৰে। তেওঁ কয়, যে এই আইন প্ৰণয়নৰ মাত্ৰ ৪ বছৰৰ ভিতৰত ২০০ কোটি  ডলাৰৰো অধিক ধন উদ্ধাৰ কৰা হৈছে। দেশত ক'লা ধন বৈধকৰণ প্ৰতিৰোধী আইনসমূহ শক্তিশালী কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয়, যে এনে আইনৰ বাবেই ২০১৪ৰ পৰা ২০২৩ চনৰ ভিতৰত প্ৰায় এহেজাৰ ২০০ কোটি ডলাৰৰ সম্পত্তি জব্দ কৰিব পৰা গৈছে।

০০০০০০০

ভাৰত এছিয়া প্ৰশান্ত সাগৰীয় মহাসাগৰৰ বাবে থকা ৰাষ্ট্ৰসংঘৰ ভূস্থানিক তথ্য ব্যৱস্থাপনা আঞ্চলিক কমিটীৰ সহ অধ্যক্ষ হিচাপে নিৰ্বাচিত হৈছে। ভাৰত ২০২৮লৈকে এই কমিটীৰ সহ-অধ্যক্ষৰ দায়িত্বত থাকিব। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে কমিটীখনৰ সহ-অধ্যক্ষ হিচাপে ভাৰতৰ নিৰ্বাচনে গোলকীয় ভূস্থানিক খণ্ডত দেশৰ বৰ্ধিত নেতৃত্ব আৰু উদ্ভাৱন, সামৰ্থ্য বৃদ্ধি তথা আঞ্চলিক সহযোগিতাৰ ক্ষেত্ৰত ইয়াৰ অৱদানকে সূচাইছে।

০০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত বাংলাদেশে অষ্ট্ৰেলিয়াক জয়ৰ বাবে ১৯৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯৮ ৰান সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত